**শ্ৰদ্ধাস্পদ পিতৃ-মাতৃ/অভিভাৱকসকল**

নমস্কাৰ গ্ৰহণ কৰিব। আপোনাক/আপোনালোকক জনাবলৈ পাই সুখী হৈছো যে অসমৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ আস্থা আৰু বিশ্বাসৰ ভেটিত ক্ষমতালৈ অহাৰ পাছতে জনসাধাৰণৰ আশা আৰু আকাংক্ষা বাস্তৱায়িত কৰাৰ বাবে ৰাজ্য চৰকাৰখনে ইতিমধ্যে দৃঢ়তাৰে ভিন্ন পদক্ষেপ গ্ৰহণ কৰিছে। জনসাধাৰণৰ ইঙ্গিত পৰিৱৰ্তনৰ বাবে মাননীয় মুখ্যমন্ত্ৰী শ্ৰীযুত সৰ্বানন্দ সোণোৱাল নেতৃত্বাধীন এই চৰকাৰখনে ২০১৬ চনৰ ২৪ মে'ত শপত গ্ৰহণ কৰাৰে পৰা দায়বদ্ধতাৰে কাম কৰি আহিছে। আমাৰ চৰকাৰৰ সৰ্বোচ্চ প্ৰাথমিকতা হৈছে অসমৰ ৩ কোটি ২৫ লাখ জনতাৰ সেৱা। তেওঁলোকৰ দুখ-দুৰ্দশা মোচন কৰাটো আৰু ৰাজ্যখনৰ বাবে উত্তৰণৰ এক দিগন্তৰ সন্ধান কৰাটো আমাৰ সৰ্বোচ্চ দায়িত্ব।

প্ৰাথমিক শিক্ষাৰ মান উন্নীতকৰণৰ বিষয়টো ৰাজ্য চৰকাৰে গুৰুত্ব সহকাৰে বিবেচনা কৰিছে। শিশুৰ শৈক্ষিক উৎকৰ্ষ সাধনৰ বাবে ৰাজ্যখনত বিভিন্ন সময়ত ভিন্ন প্ৰচেষ্টা তথা পদক্ষেপ গ্ৰহণ কৰি অহা হৈছে। কিন্তু তৎসত্বেও প্ৰাথমিক পৰ্যায়ত শিশুৰ শিক্ষাৰ উল্লেখনীয় উত্তৰণ ঘটা পৰিলক্ষিত হোৱা নাই। ৰাজ্যখনৰ অনগ্ৰসৰ অঞ্চলসমূহত শিশুসকলৰ বিদ্যালয়ত নামভৰ্তি, প্ৰতিজন শিক্ষাৰ্থীৰ অগ্ৰগতিৰ খতিয়ান লোৱা, বিদ্যালয়ত উপলব্ধ সম্পদসমূহৰ সঠিক ব্যৱহাৰ, শিক্ষকৰ দায়বদ্ধতা, বিদ্যালয়ত আন্তঃগাঁথনিৰ পৰ্যাপ্ততা ইত্যাদি দিশবোৰত তাৎক্ষণিক মনোযোগ তথা সহযোগিতাপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰাটো অত্যন্ত গুৰুত্বপূৰ্ণ হৈ পৰিছে। সেয়ে ৰাজ্যখনৰ প্ৰাথমিক স্তৰৰ শিক্ষাৰ ক্ষেত্ৰখনৰ প্ৰকৃত মূল্যায়ন কৰাৰ উদ্দেশ্যে তথা প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰখনত এক স্পষ্ট আৰু সঠিক দিশ নিৰ্ধাৰণ কৰিবলৈ ৰাজ্য চৰকাৰে প্ৰথমবাৰৰ বাবে গুণোৎসৱৰ কাৰ্যসূচী গ্ৰহণ কৰিছে। প্ৰাথমিক শিক্ষাৰ গুণগত মানৰ উৎকৰ্ষ সাধনৰ উদ্দেশ্যে প্ৰস্তুত কৰা গুণোৎসৱ এনে এক আঁচনি য'ত সামগ্ৰিকভাৱে শিশুসকলৰ শৈক্ষিক ফলাফলৰ লগতে সহবিদ্যায়তনিক ক্ৰিয়াকলাপ, সমলসমূহৰ যথোপযুক্ত ব্যৱহাৰ আৰু সমাজৰ ফলপ্ৰসূ জড়িতকৰণৰ দৰে দিশসমূহ সামৰি লোৱা হৈছে।

মুখ্যমন্ত্ৰীকে প্ৰমুখ্য কৰি মন্ত্ৰীসভাৰ সদস্যসকল, বিধায়কসকল, অসম চৰকাৰৰ মুখ্য সচিব, ভাৰতীয় প্ৰশাসনিক সেৱা, ভাৰতীয় আৰক্ষী সেৱা, ভাৰতীয় বন সেৱাৰ বিষয়াসকল তথা ৰাজ্য চৰকাৰৰ ৰাজ পত্ৰিত বিষয়াসকলে বাহ্যিক মূল্যায়ক হিচাপে এই গুণোৎসৱৰ কাৰ্যসূচীত বিদ্যালয়সমূহলৈ গৈ প্ৰশ্নপত্ৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক মূল্যায়ন কৰিব। মূল্যায়নৰ অন্তত বিদ্যালয় আৰু প্ৰত্যেক শিশুৰ ৰিপ'ৰ্ট কাৰ্ড প্ৰস্তুত কৰা হ'ব। এই মূল্যায়নৰ ওপৰত নিৰ্ভৰ কৰি ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক ঘাটি তথা বিদ্যালয়সমূহৰ অসুবিধাসমূহ চিহ্নিত কৰি পৰ্যায়ক্ৰমে ইয়াৰ উন্নতিকল্পে কৰ্ম আঁচনি যুগুত কৰা হ'ব।

ৰাজ্যৰ ইতিহাসত প্ৰথমবাৰৰ বাবে অনুষ্ঠিত হ'বলগীয়া শিক্ষাখণ্ডৰ এই বৃহৎ উৎসৱৰ কাৰ্যসূচীৰ অংশীদাৰ হৈ ৰাজ্য চৰকাৰৰ এই আশাশুধীয়া প্ৰচেষ্টাক সফলকাম কৰাৰ ক্ষেত্ৰত আপোনাৰ অৰিহণা অপৰিহাৰ্য। এই গুণোৎসৱৰ কাৰ্যসূচীত আপোনাৰ/আপোনালোকৰ শিশুটিৰ বিদ্যালয়ত উপস্থিতি আৰু সম্পূৰ্ণ অংশগ্ৰহণ নিশ্চিত কৰাৰ বাবে আপোনাক বিনম্ৰ অনুৰোধ জনালো।



**(ড° হিমন্ত বিশ্ব শৰ্মা)**
**শিক্ষামন্ত্ৰী, অসম চৰকাৰ**